# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-SEP-2026
**Time :** 6-45 PM

## *Assamese Evening Bulletin*
### Headlines
**-------------------**

00000

১। উজনি অসমৰ বান ক্ষতিগ্ৰস্ত তিনিখন জিলাৰ ১৬ হাজাৰ ৭৪৬টা পৰিয়ালৰ বাবে ৰাজ্য চৰকাৰৰ ২৫ কোটি ১২ লাখ টকা মুকলি।

২। ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকা। নেৰানেপেৰা বৰষুণৰ ফলত আজি গুৱাহাটীৰ দুটা স্থানত ভূমিস্খলন, ৪ জনৰ প্ৰাণহানি।

৩। মন্ত্ৰী কৌশিক ৰায়ৰ উপস্থিতিত গুৱাহাটীৰ ৰাষ্ট্ৰীয় ঘাইপথত পানী জমা হোৱা আৰু বান প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহক লৈ পৰ্যালোচনা বৈঠক।

৪। অসম চুক্তিৰ ফচল আই আই টি গুৱাহাটী জনসাধাৰণৰ অভিলাষ পূৰণৰ মাধ্যম হিচাপে পৰিগণিত হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ। **আৰু**

৫। ৰাজ্যৰ বিভিন্ন স্থানত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ ৪৩০ সংখ্যক তিৰোভাৱ তিথি পালন।

00000

ৰাজ্য চৰকাৰে উন্নয়ন, আত্মনিৰ্ভৰশীলতা আৰু জনকল্যাণৰ নিদৰ্শনেৰে আজি একেলগে ৩ টা পদক্ষেপৰ উদ্বোধন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানৰ পৰা অন্তৰ্বৰ্তী বান সাহায্য আঁচনিৰ চতুৰ্থ পৰ্যায়ৰ অধীনত উজনি অসমৰ বান ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ ১৬ হাজাৰ ৭৪৬ টা পৰিয়ালক ২৫ কোটি ১২ লাখ টকা মোকলাই দিয়ে। প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে ধনৰাশি মুকলি কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে চৰকাৰে ইতিমধ্যে প্ৰায় ১ লাখ ১৭ হাজাৰ ৯৫ টা পৰিয়ালক অন্তৰ্বৰ্তী সাহায্যৰ প্ৰথম কিস্তি হিচাপে ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে। তেওঁ কয়, যে শিৱসাগৰত বীমা সম্পৰ্কীয় এহেজাৰ ৯৯২ টা, যোৰহাটত ২৯৭ টা, চৰাইদেউত ৩৮৭ টা আৰু গোলাঘাটত ৫২ টা দাবী নিস্পত্তি কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানলৈকে ১৪ হাজাৰ ২২৭ গৰাকী লোকে ঋণৰ কিস্তি পৰিশোধৰ সকাহ বিচাৰি আবেদন জনাইছে আৰু ইয়াৰে ভিতৰত বেংকে ১৩ হাজাৰ ৯৪৩ গৰাকী ব্যক্তিৰ আবেদনত অনুমোদন জনাইছে। শিৱসাগৰ, চৰাইদেউৰ অৰুণোদয় হিতাধিকাৰীয়ে ১০ ছেপ্তেম্বৰত ২ হাজাৰ টকাকৈ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। অনুষ্ঠানত অংশ লৈ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয়, যে বৰ্তমানলৈকে বান ক্ষতিগ্ৰস্ত সকলৰ বাবে ১৭৫ কোটি ৬৪ লাখ টকা মোকলাই দিয়া হৈছে। চেপ্তেম্বৰত ক্ষীপ্ৰ ক্ষতি মূল্যায়নৰ পৰৱৰ্তী প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

একেটা অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ অধীনত চৰকাৰী আৰু ৰাজহুৱা শিক্ষানুষ্ঠানৰ সদ্য স্নাতকসকলৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱা হয়। প্ৰথম পৰ্যায়ত চাৰি মাহৰ বাবে এই সাহায্য আগবঢ়োৱা হৈছে। ৪৮ হাজাৰ ১৮৮ গৰাকী অৰ্হতা সম্পন্ন প্ৰাৰ্থীক এবছৰৰ বাবে আঢ়ৈ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ১১৮ কোটি ৬০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

**বাইট- মুখ্যমন্ত্ৰী**

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ গোলকীয় মানৱ প্ৰতিভাৰ বাবে বিদেশী ভাষা আঁচনি চি এম ফ্লাইটৰ সংশোধিত নীতি অনুসৰি প্ৰথম কিস্তিৰ ধনো প্ৰদান কৰা হয়। প্ৰথম পৰ্যায়ত ২০০ গৰাকী যুৱক-যুৱতী এই আঁচনিৰ দ্বাৰা লাভান্বিত হ'ব। আঁচনিখনৰ অধীনত যোগ্য প্ৰাৰ্থীসকলক ডেৰ লাখ টকা পৰ্যন্ত বিত্তীয় সাহায্য আৰু ৰাজ্যৰ যুৱক-যুৱতীসকলক বিদেশত চাকৰি লাভৰ বাবে সহায় কৰাৰ অৰ্থে যাৱতীয় প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

০০০০০

অসমৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকাই দেখা দিছে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানে আজি হঠাৎ কুৰিশু জলবিদ্যুৎ প্ৰকল্প পানী এৰি দিয়াৰ পাছত মানাহৰ বেঁকি নৈৰ জলস্তৰ বৃদ্ধি পাইছে। বেঁকি নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বাক্সাৰ জিলা প্ৰশাসনে মাইকযোগে নাৰায়ণগুৰিৰ নৈপৰীয়া ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। বাক্সা জিলা আৰু শালবাৰী মহকুমা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়াই বেঁকি নৈ পৰিদৰ্শন কৰি শেহতীয়া পৰিস্থিতিৰ বুজ লয়।

ইপিনে নাগালেণ্ডত হোৱা প্ৰবল বৰষুণৰ ফলত ভোগদৈ নদীৰ জলস্তৰ বৃদ্ধি হোৱাত উজনিতো বানৰ আশংকাই দেখা দিছে। ইতিমধ্যে বান বিধবস্ত চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত জিলা প্ৰশাসনে পুনৰ হাই এলাৰ্ট জাৰি কৰিছে। নাগালেণ্ডৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীয়ে প্ৰকাশ কৰা বিবৃতিৰ ওপৰত ভিত্তি কৰি ৩০ আগষ্টৰ পৰা ২ ছেপ্তেম্বৰ পৰ্যন্ত সকলোকে সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে।

বিশ্বনাথ জিলাৰ গহপুৰৰ কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। জিলাখনৰ পাহাৰীয়া চত্ৰং, কুকুৰজান, ব্ৰহ্মাজান, বালিজান নৈ জলস্তৰ বৃদ্ধি পাইছে। জিলাখনৰ বানপীড়িত লোকসকলক পৰ্যাপ্ত পৰিমাণে সাহায্য আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। বিত্ত, বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি গহপুৰৰ কেইবাটাও বান প্ৰভাৱিত অঞ্চল পৰিদৰ্শন কৰে। বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰি তেওঁ সকলো ধৰণৰ সাহায্য প্ৰদান কৰাৰ আশ্বাস দিয়ে।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

০০০০০

নেৰানেপেৰা বৰষুণৰ ফলত আজি গুৱাহাটী মহানগৰৰ দুটা স্থানত সংঘটিত ভূমিস্খলনত ৪ জন লোকৰ মৃত্যু হয়। মঠঘৰীয়াত সংঘটিত ভূমিস্খলনত একে পৰিয়ালৰ তিনিজন লোকে প্ৰাণ হেৰুৱায়। বৰষুণৰ ফলত পাহাৰৰ মাটি খহি পৰাত পৰিয়ালটোৰ নগেন ৰাজবংশী, চুনু ৰাজবংশী আৰু মীনা ৰাজবংশী নামৰ লোককেইজন মৃত্যুমুখত পৰে। স্থানীয় ৰাইজ আৰু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহকেইটা উদ্ধাৰ কৰে। বিধায়ক ড০ তপন দাসে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে মৃত ব্যক্তিকেইগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ঘটনা সন্দৰ্ভত সাংবাদিকৰ আগত বিধায়কগৰাকীয়ে এইদৰে কয়—

**বাইট (তপন দাস)**

গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত চিন্ময় প্ৰকাশ ফুকনেও ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। সাতগাঁৱৰ তালতলত সংঘটিত দ্বিতীয়টো ভূমিস্খলনৰ ঘটনাত এগৰাকী মহিলাৰ মৃত্যু হয়। পাহাৰৰ পৰা শিল খহি পৰাত পি সুমিত্ৰা নামৰ মহিলাগৰাকী মৃত্যুমুখত পৰে।

ইপিনে আজি পুৱা অহা ধাৰাসাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰৰ কেইবাটাও অঞ্চল জলমগ্ন হৈ পৰে। হাতীগাঁও, জু-ৰোড তিনিআলি, জটিয়া, ৰুক্মিনীগাঁও, বেলতলা ছাৰ্ভে, লালমাটি জলমগ্ন হৈ পৰাৰ বাবে স্বাভাৱিক জীৱন কিছুপৰিমাণে ব্যাহত হয়।

০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে আজি মিছন বানমুক্ত গুৱাহাটীৰ অধীনত আই আই টি গুৱাহাটীৰ অধ্যাপক আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। অসম সচিবালয়স্থিত মন্ত্ৰীগৰাকীৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত এই বৈঠকত গুৱাহাটীৰ ৰাষ্ট্ৰীয় ঘাইপথত জমা হোৱা পানী আৰু বান প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। বৈঠকত এই সম্পৰ্কে কৰা অধ্যয়ন, ইতিমধ্যে গ্ৰহণ কৰা ব্যৱস্থা আৰু বান সমস্যা ৰোধৰ বাবে প্ৰস্তাৱিত ব্যৱস্থাসমূহৰ সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়োৱা হয়। আলোচনাৰ অন্তত জালুকবাৰীৰ পৰা যোৱাবাটলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ অংশত ৭টা স্পৰ্শকাতৰ স্থান চিনাক্ত কৰা হয় আৰু প্ৰতিটো স্থানৰ বাবে নিৰ্দিষ্ট প্ৰশমনমূলক ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ আগবঢ়োৱা হয়। বৈঠকত হোৱা আলোচনাৰ ভিত্তিত চিনাক্ত কৰা ব্যৱস্থাসমূহ ৰূপায়ণৰ বাবে সংশ্লিষ্ট বিভাগ আৰু সংস্থাসমূহৰ দায়িত্ব নিৰ্ধাৰণ কৰা হয়। মন্ত্ৰীগৰাকীয়ে সকলো সংশ্লিষ্ট বিভাগ আৰু সংস্থাক পাৰস্পৰিক সমন্বয়েৰে নিৰ্দ্ধাৰিত সময়ত কাম সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে।

সংশ্লিষ্ট বিভাগ আৰু সংস্থাসমূহে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰাৰ লগতে বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ সময়মতে ৰূপায়ণ কৰাটো নিশ্চিত কৰিবলৈ মন্ত্ৰীগৰাকীয়ে ১৫ দিনৰ পাছত এখন পৰৱৰ্তী পৰ্যালোচনা বৈঠক আহ্বান কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

অসম চুক্তিত সন্নিবিষ্ট অন্যতম প্ৰস্তাৱ অনুসৰি গঢ় লৈ উঠা আই আই টি গুৱাহাটী ৰাজ্যখনৰ জনসাধাৰণৰ অভিলাষ আৰু আশা আকাংক্ষা পূৰণৰ উৎকৃষ্ট মাধ্যম হিচাপে পৰিগণিত হৈছে বুলি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। আই আই টি গুৱাহাটীৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত অংশ লৈ আজি মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। এই প্ৰতিষ্ঠানটোৱে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ বৌদ্ধিক আৰু বিদ্যায়তনিক উত্তৰণৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। কম সময়ৰ ভিতৰতে আই আই টি গুৱাহাটীয়ে দেশৰ ভিতৰতে অন্যতম প্ৰযুক্তি শিক্ষা প্ৰতিষ্ঠান হিচাপে স্বীকৃতি লাভ কৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে। প্ৰতিষ্ঠানটোৰ শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাত এয়া সম্ভৱ হৈ উঠিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। উত্তৰ-পূৰ্বাঞ্চলৰ পৰিবেশ সংৰক্ষণ, জলবায়ু পৰিৱৰ্তনকে ধৰি বিভিন্ন সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত প্ৰতিষ্ঠানটোৰ গৱেষণাই পৰৱৰ্তী সময়ত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। বিদ্যালয়তনিক দিশৰ লগতে এনে ধৰণৰ সুদূৰ প্ৰসাৰি বিষয়সমূহত প্ৰতিষ্ঠানটোৱে গুৰুত্ব আৰোপ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**ৰাইট-মুখ্যমন্ত্ৰী**

০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪৩০ সংখ্যক তিৰোভাৱ তিথি শ্ৰদ্ধা-ভক্তিৰে পালন কৰা হৈছে। তিৰোভাৱ তিথি উপলক্ষে ৰাজ্যৰ সত্ৰ, নামঘৰসমূহত ভাগৱত পাঠ, নাম-প্ৰসংগ অনুষ্ঠিত হয়। তিৰোভাৱ তিথিত গুৰুজনালৈ প্ৰণিপাত জনাই নামঘৰ, সত্ৰত পুৱাৰ পৰাই ভকত-বৈষ্ণৱ সমবেত হৈ নাম-প্ৰসংগ কৰে। শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান লখিমপুৰৰ লেটেকু পুখুৰী, ডিব্ৰুগড়, শিৱসাগৰ, বৰদোৱা, বৰপেটা, সত্ৰ নগৰী মাজুলী, ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰ, গোৱালপাৰাৰ কেউলীয়া হাটী সত্ৰ আৰু শ্যামৰায় সত্ৰৰ লগতে গুৱাহাটী মহানগৰীৰ নামঘৰসমূহতো সাহিত্য-সংস্কৃতিৰ পূজাৰী, অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগৰ আয়োজন কৰা হয়। কোচবিহাৰৰ মধুপুৰ সত্ৰতো আজি দিনজোৱা কাৰ্যসূচীৰে গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হয়। ৰাতিপুৱা প্ৰভাত বন্দনাৰ জৰিয়তে কাৰ্যসূচীৰ আৰম্ভণি কৰা হয়। পিছত ভাগৱত পাঠ, নাম-প্ৰসংগ অনুষ্ঠিত হয়। গুৰুজনাৰ তিথি উপলক্ষে সন্ধিয়ালৈ কোনো কোনো ঠাইত অংকীয়া ভাওনাও অনুষ্ঠিত হ'ব।

শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰই মহাপুৰুষ জনাৰ তিথি **গুৰুকীৰ্তন** হিচাপে চাৰিদিনীয়াকৈ পালন কৰিছে। প্ৰথম দিনা চাউল ভোজনী, দ্বিতীয় দিনা থাপনি, আজি তৃতীয় দিনা মূল কীৰ্তন আৰু কাইলৈ শেষৰ দিনা ভাওনী অনুষ্ঠিত হ'ব।

নগাঁও জিলাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত আজি গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে পুৱাৰ পৰাই নাম প্ৰসঙ্গ আৰু বিভিন্ন কাৰ্য্যসূচী অনুষ্ঠিত হৈছে।

ইপিনে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাৰ দৰ্শনাৰ্থীসকলৰ বাবে আজিৰে পৰা কেতবোৰ বিধি ব্যৱস্থা কাৰ্যকৰী হৈছে। এই অনুসৰি ১২ বছৰ বয়সৰ তলৰ আৰু ৭০ বছৰৰো ঊৰ্ধৰ দৰ্শনাৰ্থীৰ বাবে প্ৰৱেশপত্ৰ প্ৰয়োজন নহ'ব। দৰ্শনাৰ্থীৰ বাবে প্ৰৱেশপত্ৰ নিৰিখ ২৫ টকাকৈ ধাৰ্য কৰা হৈছে। পুৱা চাৰে ৯ বজাৰ বিয়লি চাৰে ৫ বজালৈ এই প্ৰৱেশপত্ৰ সংগ্ৰহ কৰিব পাৰিব। ৬ বজাৰ পূৰ্বে দৰ্শনাৰ্থীয়ে বটদ্ৰৱা দৰ্শনথলী ত্যাগ কৰিব লাগিব। আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে আৱিৰ্ভাৱ ক্ষেত্ৰত প্ৰথমটো টিকট ক্ৰয় কৰি এই নতুন বিধি ব্যৱস্থাৰ শুভাৰম্ভ কৰে।

০০০০০

**গুৱাহাটীৰ প্ৰায় ডেৰকুৰি সাংস্কৃতিক সংগঠনৰ সন্মিলিত মঞ্চ আৰু ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত অহা ৭ ছেপ্তেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ দামোদৰদেৱ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে ভাৰতৰত্ন সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন কৰা হ'ব। ৰাজ্যৰ গৰিষ্ঠ সংখ্যক ন-পুৰণি শিল্পীয়ে এই অনুষ্ঠানত অংশ গ্ৰহণ কৰিব। চানমাৰিৰ পূব গুৱাহাটী বিহু সন্মিলনৰ সভাগৃহত আজি অনুষ্ঠিত এখন সংবাদমেলত সন্মিলিত মঞ্চৰ প্ৰতিনিধিসকলে কয় যে ৭ ছেপ্তেম্বৰৰ পুৱা পতাকা উত্তোলনৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। আবেলি বিশিষ্ট শিল্পীদ্বয় দ্বীপেন বৰুৱা আৰু পুলক বেনাৰ্জীয়ে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে দ্বিতীয়াৰ্ধৰ কাৰ্যসূচী আৰম্ভ কৰা হ'ব। ইয়াৰ পাছত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে সুধাকণ্ঠৰ গীত আৰু ব্যক্তিত্ব সন্দৰ্ভত আলোকপাত কৰিব। শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি ১০০ গৰাকী ন-পুৰণি শিল্পীয়ে** কথা আৰু সুৰেৰে বন্ধা সুধাকণ্ঠৰ অসম প্ৰেমৰ অমৰ গাঁথা **অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ** শীৰ্ষক গীতটিৰে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব।

০০০০০

ৰাজ্য চৰকাৰে টিয়ক চাহ বাগিছাৰ চিকিৎসক দেবেন দত্তৰ হত্যাৰ গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা বছৰ ৩০ জুলাইত দিয়া ৰায়ক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে এই ৰায়যোগে অভিযুক্ত কেইজনৰ অপৰাধ হত্যাৰ পৰা শাস্তিযোগ্য অপৰাধলৈ অৱনমিত কৰিছিল আৰু শাস্তি মৃত্যুদণ্ডৰ পৰা যাৱজ্জীৱন কাৰাদণ্ডলৈ লাঘৱ কৰিছিল। উচ্চতম ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ আবেদনমৰ্মে প্ৰতিবাদী পক্ষলৈ জাননী জাৰি কৰিছে।  ন্যায়ালয়ে প্ৰতিবাদী পক্ষক ৪ সপ্তাহৰ ভিতৰত নিজৰ সঁহাৰি জনাবলৈ কৈছে। উল্লেখযোগ্য যে ২০১৯ চনত যোৰহাটত টিয়ক চাহ বাগিছাৰ চিকিৎসালয়ত কৰ্মৰত ডাঃ দেবেন দত্তক একাংশ কৰ্মীয়ে আক্ৰমণ কৰি নৃশংসভাৱে হত্যা কৰিছিল আৰু এই হত্যাক লৈ ৰাজ্যত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল।

০০০০০

সমাপ্ত